**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **সাগৰ বন্ধু অভিযান**ৰ অধীনত শ্ৰীলংকালৈ প্ৰয়োজনীয় সমৰ্থন আগবঢ়াই যাব বুলি নিশ্চিতি দিছে।

২। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই দিল্লীৰ গাড়ী বোমা বিস্ফোৰণৰ তদন্তৰ অংশ হিচাপে জম্মু-কাশ্মীৰ আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন স্থানত তালাচী অভিযান অব্যাহত ৰাখিছে।

৩। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নগাঁৰ বঢ়মপুৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ৩৩ হাজাৰ ৬০০ গৰাকীতকৈও অধিক মহিলাৰ মাজত চেক বিতৰণ কৰে।

৪। ভাৰতক প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন সহায়ক প্ৰতিষ্ঠান আইডিয়াত অধ্যক্ষতাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। *আৰু*

৫। মহিলাৰ এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতৰ মহিলা দলটোৱে নামিবিয়াৰ বিৰুদ্ধে ১৩-০ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ সৈতে কালি টেলিফোনযোগে বাৰ্তালাপ কৰি **সাগৰ বন্ধু অভিযান**ৰ অধীনত দেশখনলৈ সমৰ্থন আগবঢ়াই যাব বুলি নিশ্চিতি দিছে। শ্ৰীমোদীয়ে মহাসাগৰ দৃষ্টিভংগীৰ অধীনত ভাৰতে প্ৰথমেই সাহায্য আগবঢ়োৱা ৰাষ্ট্ৰ হিচাপে শ্ৰীলংকাত বিপদাপন্ন লোকসকলক উদ্ধাৰ আৰু সাহায্য-সামগ্ৰী প্ৰদানৰ বাবে প্ৰয়োজনীয় সকলো সহায় অব্যাহত ৰাখিব বুলি বাৰ্তালাপত উল্লেখ কৰে। ৰাষ্ট্ৰপতি দিশানায়কেই প্ৰাকৃতিক দুৰ্যোগৰ সময়ছোৱাত ভাৰতে আগবঢ়োৱা এই সাহায্যৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে উদ্ধাৰকাৰী দলসমূহক প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰে। তেওঁ শ্ৰীলংকাৰ জনসাধাৰণৰ হৈও ভাৰতে সময়মতে আগবঢ়োৱা সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ডিট্ৰিৱাহ ঘূৰ্ণীবতাহে ৰাষ্ট্ৰখনক সৃষ্টি কৰা ব্যাপক ধ্বংস আৰু ঘূৰ্ণীবতাহৰ ফলত মৃত্যু হোৱা লোকসকলৰ প্ৰতি সমবেদনা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশখনৰ প্ৰয়োজনৰ সময়ত ভাৰতৰ জনসাধাৰণ সদায়ে তেওঁলোকৰ থিয় দিব বুলি ব্যক্ত কৰে।

০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এয়ে দিল্লী গাড়ী বোমা বিস্ফোৰণৰ তদন্তৰ অংশ হিচাপে জম্মু-কাশ্মীৰ আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন স্থানত তালাচী অভিযান অব্যাহত ৰাখিছে। এটা বিবৃতি যোগে এন আই এয়ে জম্মু-কাশ্মীৰৰ ছ'পিয়ান, কুলগাম, পুলৱামা আৰু অৱন্তিপুৰ জিলাৰ মুঠ ৮টা অঞ্চল তথা লক্ষ্ণৌৰ এটা স্থানত কালি অভিযান চলোৱা বুলি প্ৰকাশ কৰিছে। সংস্থাটোৱে লগতে দুয়োখন ৰাজ্যৰ কেইবাজনো অভিযুক্ত আৰু সন্দেহজনক লোকৰ চৌহদত চলোৱা অভিযানকালত ভালেমান ডিজিটেল সা-সামগ্ৰীৰ

লগতে আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে। ইয়াৰ পূৰ্বে যোৱা মাহত এন আই এয়ে এই বিস্ফোৰণত মূল অভিযুক্ত ডা০ মুজ্জামিল ছাকিল গনি আৰু ডা০ শ্বাহিন ছৈয়দৰ বাসগৃহৰ লগতে হাৰিয়ানাৰ ফৰিদাবাদত থকা অল ফালাহ বিশ্ববিদ্যালয়ৰ চৌহদ আৰু অন্যান্য অঞ্চলতো তালাচী চলাইছিল। সংস্থাটোৱে এই ঘটনা সন্দৰ্ভত ইতিমধ্যে ৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে। এন আই এয়ে দিল্লী বোমা বিস্ফোৰণ ঘটনাত জড়িত প্ৰতিজন অভিযুক্তকে অনুসৰণ কৰি গ্ৰেপ্তাৰ কৰাৰ সন্দৰ্ভত বিভিন্ন ৰাজ্যৰ আৰক্ষী বাহিনীৰ সৈতে ঘনিষ্ঠভাৱে কাম অব্যাহত ৰাখিছে বুলি প্ৰকাশ কৰিছে।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ৩৩ হাজাৰ ৬০০ গৰাকীতকৈও অধিক মহিলাৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই হিতাধিকাৰীসকলৰ মাজত ৩২ হাজাৰ ৬০০ গৰাকীতকৈও অধিক মহিলা গ্ৰামাঞ্চলৰ হোৱাৰ বিপৰীতে কেৱল এহাজাৰ গৰাকীহে নগৰীয়া অঞ্চলৰ মহিলা। এই উপলক্ষে কঠিয়াতলিত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে, যোৱা ছেপ্তেম্বৰত মুকলি কৰা এই অভিযানৰ লক্ষ্যসমূহৰ বিষয়ে, ৰাজ্যখনৰ মহিলাসকল ইতিমধ্যে পৰিচিত হৈ উঠিছে বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে ৪৪টা সমষ্টিৰ প্ৰায় ১০ লাখ মহিলাই ইতিমধ্যে তেওঁলোকৰ প্ৰথম কিস্তিৰ ধন লাভ কৰিছে। চৰকাৰে চলিত মাহৰ শেষৰলৈকে চৰকাৰৰ এই আঁচনিৰ প্ৰথম কিস্তিৰ ধন আৰু ১৫ লাখ মহিলাৰ বাবে মোকলাই দিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ফেব্ৰুৱাৰীৰ মাহৰ শেষত ৩২ লাখ মহিলাই প্ৰথম কিস্তিৰ ধন লাভ কৰিব বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীৰ ৩ কোটি **লাখপতি বাইদেউ**ৰ সৃষ্টিৰ ৰাষ্ট্ৰীয় লক্ষ্যৰ অংশ হিচাপে আৰম্ভ কৰা এই পদক্ষেপৰ জৰিয়তে অসমত ইতিমধ্যে ৮ লাখতকৈও অধিক মহিলা বিভিন্ন আত্মসহায়ক গোটৰ ঋণ আৰু অন্যান্য সমৰ্থনৰ জৰিয়তে **লাখপতি বাইদেউ** হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

ooooo

দেশৰ নিৰ্বাচন আয়োগে পশ্চিমবংগৰ ২,২০৮ টা বুথত প্ৰায় ১০০ শতাংশ গণনা প্ৰ-পত্ৰ দাখিল হোৱা সন্দৰ্ভত বিশদ প্ৰতিবেদন বিচাৰিছে। উল্লেখযোগ্য যে, এই বুথসমূহৰ পৰা এখনো সংগ্ৰহ কৰিবলৈ বাকী থকা প্ৰ-পত্ৰৰ প্ৰতিবেদন দিয়া হোৱা নাই, যিটো প্ৰায় অবাস্তৱ। সেয়ে, জিলা নিৰ্বাচনী বিষয়াসকলক আজি পুৱা ১০ বজাৰ ভিতৰত এইক্ষেত্ৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে যে, কিছুসংখ্যক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত খণ্ড উন্নয়ন বিষয়াই মৃত ব্যক্তি, স্থানান্তৰিত হোৱা ব্যক্তি আৰু বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ নাম চলিত SIR অৰ্থাৎ ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিবলৈ বিএলঅ'সকলক তেওঁলোকৰ অ'টিপি শ্বেয়াৰ বা ভাগ বাটোৱাৰা কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছে।

ইপিনে, নিৰ্বাচন আয়োগে নিযুক্তি দিয়া বিশেষ তালিকা পৰ্যবেক্ষক সুব্ৰত গুপ্তাই SIR প্ৰক্ৰিয়াৰ সৈতে জড়িত অভিযোগসমূহৰ সমাধানৰ বাবে জনসাধাৰণ, ৰাজনৈতিক দল আৰু সংগঠনসমূহৰ সৈতে আলোচনা আৰম্ভ কৰিছে। কালি চিপিআই (এম) আৰু কংগ্ৰেছৰ সদস্যসকলে বিশেষ তালিকা পৰ্যবেক্ষকৰ সৈতে বৈঠকত মিলিত হৈ নিজৰ উদ্বেগ প্ৰকাশ কৰে।

ooooo

অটল পেঞ্চন যোজনাত কৰা পঞ্জীয়নৰ সংখ্যাই ৮ কোটি ৩৪ লাখৰ সীমা অতিক্ৰম কৰিছে। কালি লোকসভাত এটা প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই কথা অৱগত কৰে। ইয়াৰে ৪৮ শতাংশই মহিলা আৰু এই পৰিসংখ্যাই সমগ্ৰ দেশৰ মহিলা হিতাধিকাৰীৰ উল্লেখযোগ্য অংশগ্ৰহণক প্ৰতিফলিত কৰা বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

২০১৫ চনৰ মে’ মাহত আৰম্ভ হোৱা অটল পেন্সন যোজনাৰ লক্ষ্য - নাগৰিক, বিশেষকৈ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ বাবে এটা সাৰ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা। ১৮ৰ পৰা ৪০ বছৰ বয়সৰ আৰু বেংক চেভিংছ একাউণ্ট বা ডাকঘৰৰ একাউণ্ট থকা ব্যক্তিসকলক এই আঁচনিখনৰ সুবিধা গ্ৰহণৰ বাবে যোগ্য বিবেচিত কৰা হয় । ৬০ বছৰ সম্পূৰ্ণ কৰাৰ পাছত তেওঁলোকে পেঞ্চনৰ সুবিধা লাভ কৰিব আৰু এই ধনৰাশি প্ৰদান প্ৰক্তিয়া ২০৩৫ চনৰ পৰা আৰম্ভ হোৱাৰ আশা কৰা হৈছে।

বিত্তমন্ত্ৰীগৰাকীয়ে সদনক অৱগত কৰে যে চৰকাৰ আৰু পিএফআৰডিএ অৰ্থাৎ পেন্সন পুঁজি নিয়ামক আৰু উন্নয়ন কৰ্তৃপক্ষই গ্ৰহণ কৰা একাধিক পদক্ষেপে এই আঁচনিখনৰ সজাগতা আৰু প্ৰচাৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছে। বিশেষকৈ ছপা, বৈদ্যুতিন আৰু সামাজিক মাধ্যমত প্ৰকাশিত নিয়মীয়া বিজ্ঞাপন, ১৩টা স্থানীয় ভাষাত আঁচনিৰ ব্ৰ’চাৰৰ উপলব্ধতা, আৰু বেংক প্ৰতিনিধি, আত্মসহায়ক গোট তথা অন্যান্য ক্ষেত্ৰৰ কৰ্মীৰ বাবে কৰা ভাৰ্চুৱেল সহযোগিতাৰ ব্যৱস্থাই এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে। সজাগতা অভিযানত নাবাৰ্ড, এন চি এফ ই, ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান আৰু ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানকে ধৰি কেইবাটাও প্ৰতিষ্ঠানেও সহযোগিতা আগবঢ়াই অহাৰ লগতে ইণ্টাৰনেট বেংকিং, মোবাইল এপ আৰু বেংক প'ৰ্টেলৰ দৰে ডিজিটেল মাধ্যমসমূহে অটল পেন্সন যোজনাৰ হিতাধিকাৰীসকলৰ বাবে অনলাইন প্ৰক্ৰিয়া সহজ কৰি তুলিছে।

এই আঁচনিখন ডাক বিভাগ আৰু বেংকৰ এটা বিস্তৃত নেটৱৰ্কৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে য'ত ৰাজহুৱা খণ্ডৰ বেংক, ব্যক্তিগত বেংক, আঞ্চলিক গ্ৰাম্য বেংক, ক্ষুদ্ৰ বিত্তীয় বেংক আৰু পিএফআৰডিএৰ অধীনত পইণ্ট অৱ প্ৰেজেন্স হিচাপে পঞ্জীয়নভুক্ত সমবায় বেংকো অন্তৰ্ভুক্ত আছে।

০০০০০

ভাৰতক প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন সহায়ক প্ৰতিষ্ঠান আইডিয়াত অধ্যক্ষতাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কাইলৈ ছুইডেনৰ ষ্টকহ’মত হ’বলগীয়া অনুষ্ঠানত অধ্যক্ষতা কৰিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে সমগ্ৰ বিশ্বত আজি ভাৰত নিৰপেক্ষ, স্বতন্ত্ৰ আৰু পাৰদৰ্শিতাৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পৰিচিত হৈ উঠিছে। ভাৰতক ইয়াত অধ্যক্ষতা কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা কাৰ্যক দেশখনৰ সকলো নাগৰিক আৰু নিৰ্বাচনী কাম-কাজত নিয়োজিত কৰ্মচাৰীসকলৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত বুলি তেওঁ উল্লেখ কৰে। ১৯৯৫ চনত স্থাপন হোৱা এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান এটা আন্তঃচৰকাৰী সংস্থা আৰু সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপান নিৰীক্ষক হিচাপে অন্তৰ্ভুক্ত হৈ থকাৰ লগতে ৩৭ খন ৰাষ্ট্ৰ ইয়াৰ সদস্য। ভাৰত এই প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক সদস্য হোৱাৰ লগতে প্ৰশাসনিক ব্যৱস্থা, গণতান্ত্ৰিক গৱেষণা, দক্ষতা বিকাশ আৰু বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীত সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াই আহিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ স্বাস্থ্যক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে বহু দীৰ্ঘদিনে দেশখনৰ জাতীয় জীৱনলৈ বিশেষ অৰিহণা যোগাই আহিছে। ভাৰত যিকোনো ধৰণৰ সমৰ্থন আগবঢ়াবলৈ সাজু থকা বুলিও প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লগতে বাৰ্তাটোত উল্লেখ কৰে।

০০০০০

মহিলাৰ এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতৰ মহিলা দলটোৱে নামিবিয়াৰ বিৰুদ্ধে ১৩-০ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰিছে। চিলিৰ ছাণ্টিয়াগ'ত চলি থকা প্ৰতিযোগিতাৰ প্ৰথমখন খেলত বিজয়েৰে ভাৰতৰ দলটো তালিকাৰ শীৰ্ষক উপনীত হৈছে। দলৰ হৈ হিনা বানু আৰু কনিকা চিৱাছে হেট্ৰিক কৰাৰ লগতে সাক্ষী ৰানাই দুটা গ'ল কৰে। বিনিমা ধন, সাক্ষী শুক্লা, সোনম, ঈচিকা আৰু মনীষাই এটাকৈ গ'ল দিয়ে। জ্যোতি সিঙে নেতৃত্ব দিয়া ভাৰতীয় জুনিয়ৰ মহিলা দলটোক আয়াৰলেণ্ড, জাৰ্মানী আৰু নামিবিয়াৰ সৈতে পুল-চিত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে কালি অনুষ্ঠিত প্ৰথমখন খেলত জাৰ্মানীয়ে আয়াৰলেণ্ডক ৭-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতে পুল পৰ্যায়ৰ চূড়ান্ত খেলত কাইলৈ জাৰ্মানীৰ বিৰুদ্ধে আৰু অহা শুকুৰবাৰে আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে তামিলনাডুৰ মাডুৰাইত চলি থকা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকীত ভাৰতে আজি লীগ পৰ্যায়ৰ চূড়ান্ত খেলত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত অনুষ্ঠিত হ'ব। ভাৰত আৰু ছুইজাৰলেণ্ড দুয়োটা দলেই পুল-বিৰ এখনো খেলত পৰাজিত হোৱা নাই যদিও গ'লৰ ক্ষেত্ৰত ব্যৱধানৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতক তালিকাৰ শীৰ্ষ স্থানত ৰখা হৈছে।

০০০০০

সমাপ্ত